জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১১৮/২০২২**

# সপ্তম ভাৰত ঔদ্যোগিক মেলা উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসমৰ বাবে নতুন উদ্যোগ নীতি গ্ৰহণ কৰিবলৈ এম এছ এম ই দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰীক আহ্বান জনালে মুখ্যমন্ত্ৰীয়ে

### এক্ট ইষ্ট পলিচিৰ অধীনত এম এছ এম ই খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এম এছ এম ই দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী নাৰায়ণ ৰাণেৰ উপস্থিতিত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সংস্থাৰ সংগঠন উদ্যোগ ভাৰতী উত্তৰ পূব অধ্যায়ৰ দ্বাৰা গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত সপ্তম ভাৰত ঔদ্যোগিক মেলা, উদ্যম-২২ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ (এম এছ এম ই) খণ্ডৰ উৎপাদক আৰু নিৰ্মাতাসকলক তেওঁলোকৰ সামগ্ৰীসমূহ চৰকাৰী তথা ব্যক্তিগত খণ্ডৰ সাম্ভাব্য ক্ৰেতাসকলৰ ওচৰলৈ লৈ যোৱাৰ উদ্দেশ্যেৰে এক মঞ্চ গঢ়ি তোলাৰ বাবে ভাৰত চৰকাৰৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয় আৰু অসম চৰকাৰৰ উদ্যোগ বাণিজ্য আৰু ৰাজহুৱা উদ্যোগ বিভাগৰ সহযোগত এই মেলাৰ আয়োজন কৰা হৈছে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে লঘু উদ্যোগ ভাৰতীয়ে এনেধৰণৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে উদ্যোগ গ্ৰহণৰ প্ৰচেষ্টাৰ শলাগ লৈ কয় যে এনে মঞ্চই উদ্যোগীসকলক অধিক উৎসাহেৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰি খণ্ডটোৰ নতুন উদ্যোগীসকলক সহায় কৰাৰ লগতে বজাৰত নতুন আৰু উদ্ভাৱনীমূলক সামগ্ৰীৰ বাবে সাম্ভাব্য ক্ৰেতাসকলৰ মাজতো নতুন উৎসাহ যোগাবলৈ সমৰ্থ হ'ব।

ড° শৰ্মাই কয় যে 'উদ্যম-২২'ৰ দৰে পদক্ষেপসমূহৰ জৰিয়তে ষ্টাৰ্ট আপবোৰে এটা নতুন দিশেৰে আগুৱাই যাবলৈ সক্ষম হ'ব। এনে ধৰণৰ মঞ্চই উৎপাদকসকলক সাম্ভাব্য ক্ৰেতাসকলৰ সৈতে সংযোগ কৰি বিশ্বত এম এছ এম ই খণ্ডৰ শক্তিশালী বিকাশ সম্ভৱ কৰি তুলিব। এম এছ এম ই খণ্ডই ইয়াৰ সম্পূৰ্ণ সম্ভাৱনীয়তা বিকশাই তুলি খণ্ডটোক নতুন উচ্চতালৈ নিয়াৰ ক্ষেত্ৰত প্ৰত্যাহ্বানসমূহ গ্ৰহণ কৰিব পৰা নিৰ্ভীক উদ্যোগীৰ এই খণ্ডত প্ৰৱেশৰ প্ৰয়োজনীয়তা আছে বুলিও তেওঁ উল্লেখ কৰে।

মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত এম এছ এম ই খণ্ডৰ ভূমিকাৰ কথা উল্লেখ কৰি দেশৰ যুৱক-যুৱতীসকলৰ বাবে সম্পদ আৰু নিযুক্তিৰ সুযোগ সৃষ্টিৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত আগবঢ়োৱা

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

অৱদানৰ বাবে সামগ্ৰিকভাৱে এই উদ্যোগ খণ্ডৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ কয় যে এম এছ এম ই খণ্ডই ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদনৰ ২৯ শতাংশ অৱিহণা যোগায়। তেওঁএই উদ্যোগটোৰ অগ্ৰণী উদ্যোগপতিসকলক অসমক তেওঁলোকৰ আটাইতকৈ পছন্দৰ বিনিয়োগৰ গন্তব্য স্থান হিচাপে গ্ৰহণ কৰিবলৈও আহ্বান জনায়। ৰাজ্যখনৰ প্ৰতিটো প্ৰান্ততে আজি শান্তি আৰু নিৰাপত্তাৰ এক পৰিৱেশ সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিতত এই খণ্ডৰ উদ্যোগৰ বিকাশ সাধনৰ বাবে এক অনুকূল বাতাৱৰণৰ সূচনা হৈছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে ঔদ্যোগিক পৰিৱেশৰ আমূল পৰিৱৰ্তন সাধনৰ লক্ষ্যৰে ম্যাদ উকলি যোৱা ব্যৱসায়ীক অনুজ্ঞাপত্ৰৰ স্বয়ংনৱীকৰণ আদিৰ দৰে বহুতো গতিশীল পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে উত্তৰ-পূব ভাৰতৰ অৰ্থনীতিক দক্ষিণ পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ সৈতে সংযোগ সাধনৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰীৰ সপোনৰ প্ৰকল্প 'এক্ট ইষ্ট পলিচি'ৰ জৰিয়তে উদ্যোগ খণ্ড আগুৱাই যোৱাৰ বাবে বহু পথ প্ৰশস্ত হৈ পৰিছে। অঞ্চলটোৰ অৰ্থনীতি আৰু ব্যৱসায়ক দক্ষিণ পূব এছিয়াৰ সৈতে সংযোগ সাধনে অকল উদ্যোগীসকলকে যে বিশাল বজাৰ প্ৰদান কৰিব তেনে নহয়, সেই বাণিজ্য সংযোগৰ অংশ হৈ আমাৰ যুৱক-যুৱতীসকলে স্ব-নিয়োজনৰ বাবে নতুন পথ মুকলি কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

অনুষ্ঠানত উপস্থিত থকা এম এছ এম ই দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী নাৰায়ণ ৰাণেক কেন্দ্ৰীয় শাসিত জম্মু-কাশ্মীৰৰ বাবে প্ৰণয়ন কৰা নীতিৰ সৈতে সংগতি ৰাখি দেশৰ উত্তৰ পূব অংশৰ বাবে এক নতুন উদ্যোগিক নীতি প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায় যাতে বিনিয়োগকাৰীসকলে এই অঞ্চলটোত বিনিয়োগৰ প্ৰতি অধিক আগ্ৰহী হৈ উঠে। ৰাজ্যখনৰ স্থলপথ আৰু জলপথৰ লগতে লজিষ্টিক আন্তঃগাঁথনিৰ আধুনিকীকৰণ আৰু উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যিসকল বিনিয়োগকাৰীয়ে ইতিমধ্যে বিনিয়োগ কৰিছে বা ৰাজ্যখনত বিনিয়োগৰ বাবে আগ্ৰহী তেওঁলোকৰ বাবে বৰ্তমানৰ ঔদ্যোগিক সা-সুবিধাসমূহ এক অনুকূল পৰিৱেশ হিচাপে গণ্য কৰা উচিত।

অনুষ্ঠানত কেন্দ্ৰীয় এম এছ এম ই দপ্তৰৰ মন্ত্ৰী নাৰায়াণ ৰাণে, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, লঘু উদ্যোগ ভাৰতীৰ সৰ্বভাৰতীয় সভাপতি ভাৰতী বলদেৱ প্ৰজাপতি প্ৰমুখ্যে অন্যান্য উদ্যোগ খণ্ডৰ লগত জড়িত ব্যক্তিসকল উপস্থিত আছিল।

**আয়ন / পুঃডেঃ**
**২২-০৪-২০২২**